# Telephone Conversation between PM and Sultan of Oman

April 07, 2020

---

## প্ৰধানমন্ত্ৰী আৰু ওমানৰ চুলতানৰ মাজত টেলিফোন যোগে বাৰ্তালাপ

এপ্ৰিল 07, 2020

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডীয়ে আজি ওমানৰ চুলতান মহামহিম হেইথহম বিন তাৰিকৰ সৈতে এক টেলিফোনিক বাৰ্তালাপত মিলিত হয়।

দুয়োগৰাকী নেতাই ক'ভিড-19 মহামাৰীৰ পৰিপ্ৰেক্ষিতত উদ্ভৱ হোৱা স্বাস্থ্য আৰু অৰ্থনৈতিক প্ৰত্যাহ্বানসমূহৰ বিষয়ে আলোচনা কৰে, আৰু এই সংকটৰ সময়ছোৱাত দুয়োগৰাকী নেতাই পৰস্পৰে পৰস্পৰক সাম্ভাৱ্য সহায়-সহযোগিতা আগবঢ়াব বুলি মত পোষণ কৰে।

সাম্প্ৰতিক পৰিস্থিতিত চুলতানগৰাকীয়ে ওমানত থকা ভাৰতীয় সম্প্ৰদায়ৰ সুৰক্ষা আৰু কল্যাণৰ নিশ্চিতি প্ৰদান কৰে। তাৰোপৰি ভাৰতত থকা ওমানী নাগৰিকসকলে লাভ কৰা ভাৰত চৰকাৰৰ সাহায্যৰ বাবেও তেওঁ প্ৰধানমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰে।

প্ৰধানমন্ত্ৰীয়ে প্ৰয়াত মহামহিম চুলতান কুৱাবুছৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰে। তেখেতে মহামহিম হেইথমৰ চুলতান হিচাপে দায়িত্বভাৰ গ্ৰহণৰ কৰাৰ কাৰণে শুভেচ্ছা জ্ঞাপন কৰে আৰু ওমানৰ লোকসকলৰ শান্তি আৰু সমৃদ্ধি কামনা কৰে। বিস্তাৰিত চুবুৰীয়া দেশ হিচাপে ওমান ভাৰতৰ গুৰুত্বপূৰ্ণ অংশ বুলিও তেখেতে উল্লেখ কৰে।

**নতুন দিল্লী**
**এপ্ৰিল 07, 2020**

DISCLAIMER : This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.